**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-06-202 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১।	প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাসৰ ক্ষেত্ৰত ৰাজ্যৰ অভাৱনীয় সফলতাৰ খতিয়ান মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ।

২।	মৃত্যু বাৰ্ষিকীত আজি ৰাজ্যজুৰি কলাগুৰুক সোঁৱৰণ।

৩।	একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বাবে দেশৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানত প্ৰস্তুতি সম্পূৰ্ণ।

৪।	ৰাজ্যৰ বান আৰু খহনীয়া সমস্যা ৰোধৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰ বোৰ্ড আৰু ভাৰতীয় জৰীপ বিভাগৰ বুজাবুজিৰ চুক্তি।

আৰু

৫।	ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি লিড্‌ছৰ হেডিংলীত আৰম্ভ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰকাশ কৰা অনুসৰি প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাসৰ ক্ষেত্ৰত ৰাজ্যই অভাৱনীয় সফলতা লাভ কৰিছে। দিছপুৰত কালি অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা ২০০১-২০০৩ চনৰ চেম্পুল ৰিচাৰ্চ চিষ্টেম অনুসৰি ৰাজ্যত প্ৰতি লাখ প্ৰসূতিৰ ভিতৰত ৪৯০গৰাকীয়ে মৃত্যুক সাৱতি লৈছিল। ২০১৮-২০২০ একেটা সংস্থাৰ প্ৰতিবেদন মতে ৰাজ্যত প্ৰসূতিৰ মৃত্যুৰ সংখ্যা ১৬৭লৈ হ্ৰাস পায়। একেদৰে, ২০২০-২০২২চনত এই হাৰ ১২৫লৈ হ্ৰাস পায়। ফলত মধ্যপ্ৰদেশ, ছত্তিশগড়, উত্তৰপ্ৰদেশ, ওড়িশা আদি ৰাজ্যক অসমে চেৰ পেলাবলৈ সক্ষম হৈছে। ইফালে, ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিতে ১০০খন বিচনাযুক্ত চিকিৎসালয় নিৰ্মাণৰ চিন্তা চৰ্চা কৰি থকা হৈছে বুলি তেওঁ উল্লেখ কৰে। ২০২৯ চনৰ ভিতৰত প্ৰতিখন জিলাতে চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৰাজ্যত নৱজাতকৰ মৃত্যুৰ হাৰ পূৰ্বৰ ৬৮ শতাংশৰ পৰা ৩২ শতাংশলৈ হ্ৰাস পাইছে।

**-বাইট-**

০০০০০০

ৰাজ্যত অহা ১০ অক্টোবৰৰ ভিতৰত পুনৰ ৪০ হাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কালি কেইবাটাও বিভাগত ৪৮১ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এইদৰে কয়। উল্লেখযোগ্য যে এই অনুষ্ঠানত পশু পালন আৰু পশু চিকিৎসা বিভাগত ৪৪৩ গৰাকী পশু চিকিৎসা ক্ষেত্ৰ সহায়ক, পৰ্যটন বিভাগত ১২ গৰাকী পৰ্যটন উন্নয়ন বিষয়া আৰু শিক্ষা বিভাগত ২৩ গৰাকী জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰৱক্তা

তথা ৩ গৰাকী ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই নিযুক্তি স্বচ্ছ, মেধা আৰু যোগ্যতা ভিত্তিত সম্পন্ন হৈছে বুলি তেওঁ ভাষণ প্ৰসঙ্গত কয়।

ৰাজ্যৰ গাহৰি পালন খণ্ডৰ সম্ভাৱনাসমূহৰ বিষয়ে উল্লেখ কৰি তেওঁ গাহৰি পালকসকলৰ ঐক্যবদ্ধ প্ৰচেষ্টাই এই দিশত ৰাজ্যখনৰ চাহিদা বৃদ্ধিত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যত শ্বেত বিপ্লৱৰ সূচনা কৰি প্ৰতি দিনে ১০ লাখ লিটাৰ গাখীৰ উৎপাদনৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি তেওঁ ভাষণত কয়।

এই অনুষ্ঠানত পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল উপস্থিত থাকে।

০০০০০০

দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তত কাইলৈ উদযাপন কৰিবলগীয়া একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বাবে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলাই জিলাই যোগ দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। যোগ দিৱসৰ সৈতে সংগতি ৰাখি বাক্সাৰ শালবাৰী মহাবিদ্যালয়ৰ খেলপথাৰত কাইলৈ পুৱা ৬ বজাত হ'বলগীয়া ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব। হোজাই জিলাত এই দিৱস উদযাপনৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলা প্ৰশাসনৰ উদ্যোগত আৰু লাচিত যোগ কেন্দ্ৰৰ সহযোগত এই দিৱস পালন কৰা হ'ব। দিৱসৰ প্ৰস্তুতিৰ বুজ লৈ যোগৰ অনুশীলনে বিশ্বত শান্তিৰ পৰিৱেশ ঘূৰাই আনিব বুলি স্থানীয় বিধায়ক ৰামকৃষ্ণ ঘোষে মন্তব্য কৰে।

বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি কালি জিলা পৰ্যায়ৰ যোগ প্ৰতিযোগিতা অনুষ্ঠিত হয়। জিলা গ্ৰামীণ উন্নয়ন অভিকৰণৰ প্ৰেক্ষাগৃহত আয়োজিত এই প্ৰতিযোগিতা চাৰিটা শাখাত অনুষ্ঠিত হয়। প্ৰতিযোগিতাত ১৭০ গৰাকী প্ৰতিযোগীয়ে অংশ লয়। জিলাখনত কাইলৈ যোগ দিৱস উপলক্ষে পুৱা সমূহীয়া যোগাভ্যাস কৰা হ'ব। এই কাৰ্যসূচীত যোগৰ প্ৰসাৰৰ ক্ষেত্ৰত স্বেচ্ছামূলকভাৱে কাম কৰি থকা জিলাখনৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধি আৰু অন্যান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

ইফালে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টমত থকা আৰ কে বীচ্চত যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। পুৱা চাৰে ৫ বজাৰ পৰা হ'বলগীয়া এই কাৰ্যসূচীত প্ৰধানমন্ত্ৰীৰ সৈতে ৩লক্ষাধিক অংশগ্ৰহণকাৰীয়ে যোগাভ্যাস কৰিব। অন্ধ্ৰপ্ৰদেশ চৰকাৰে গীণিজ ৱৰ্ল্ড ৰেকৰ্ড গঢ়াৰ উদ্দেশ্যে আয়োজন কৰা এই অনুষ্ঠানত ৰাজ্যখনৰ লক্ষাধিক স্থানত ২ কোটিতকৈও অধিক লোকে অংশ ল'ব। তদুপৰি, **এক বিশ্ব, এক স্বাস্থ্যৰ** বাবে যোগ  শীৰ্ষক কাৰ্যসূচীত ৫০লক্ষাধিক অংশগ্ৰহণকাৰীক যোগ প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সদৌ অসম যোগ ক্ৰীড়া সংস্থাৰ উপ-সভাপতি, যোগবিদ হৰিপ্ৰসাদ তালুকদাৰ আৰু যোগ প্ৰশিক্ষক হিমাদ্ৰী নাথ কাকতিয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী ব্যক্তিসকলে ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰ সৈতে যোগ সম্পৰ্কীয় বিভিন্ন প্ৰশ্নৰ উত্তৰ বিচাৰিব পাৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা ১ জুলাইত ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে বিভাগটোৰ উত্তৰণৰ বাবে কাম কৰি যোৱা কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ বাতৰি বিভাগৰ লবীত স্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰ কেইখন ১ জুলাইত আনুষ্ঠানিকভাৱে স্থাপন কৰা হ'ব।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই সেইদিনা দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। সেইদিনাই সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত এটা বিচিত্ৰানুষ্ঠানৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটীৰ ৭৭ বছৰ ইতিহাসত এইয়ে প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ বাহিৰত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰিছে।

0000000

আজি বিষ্ণু ৰাভা দিৱস। এই উপলক্ষে ৰাজ্য চৰকাৰৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে দিনজোৰা কাৰ্যসূচীৰে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে।

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আৰু যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহযোগত **যোৰহাটত** কেন্দ্ৰীয়ভাৱে বিষ্ণুৰাভা দিৱসৰ আয়োজন কৰা হৈছে। তিনিদিনীয়াকৈ আয়োজিত এই অনুষ্ঠানৰ মুখ্য তোৰণ কালি মুকলি কৰা হয়। কালি সদৌ অসম ভিত্তিত বিষ্ণুৰাভা সংগীত আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত চাৰি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। আজি সাংস্কৃতিক শোভাযাত্ৰা, মূল সভা আৰু বিষ্ণুৰাভা সংগীত পৰিৱেশন কৰা হ'ব। **শোণিতপুৰ** জিলাতো বিষ্ণুৰাভা দিৱস পালন কৰা হ'ব। গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত এই দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। সদৌ অসম মইনা পাৰিজাতৰ পশ্চিম **কাৰ্বি আংলং** জিলাৰ তৰা শাখাৰ উদ্যোগত কাইলৈ জিলাখনৰ তৰাডুবি মিনি ষ্টেডিয়ামৰ প্ৰেক্ষাগৃহত বিষ্ণুৰাভা দিৱস উদযাপন কৰা হ'ব। এই অনুসৰি পুৱা পতাকা উত্তোলন আৰু গছপুলি ৰোপনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। দিনৰ ১০ বজাৰ পৰা চিত্ৰাংকন, কবিতা আবৃত্তি আৰু বিষ্ণুৰাভা সংগীতৰ নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি আয়োজিত মুকলি সভাত প্ৰতিযোগিতাৰ বঁটাসমূহ বিতৰণ কৰা হ'ব।

ৰাজ্য চৰকাৰে বিষ্ণুৰাভা দিৱসৰ সৈতে সংগতি ৰাখি আজি কেইবাগৰাকীও খ্যাতিমান ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰিব। বিয়লি ৪ বজাত নলবাৰীৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। এই অনুসৰি ৩টা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ড° থানেশ্বৰ শৰ্মালৈ শ্ৰীশ্ৰীমাধৱদেৱ বঁটা, বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ কালীচৰণ ব্ৰহ্ম বঁটা আৰু সিন্দূৰ অভিযানত শ্বহীদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংখামলৈ বীৰ চিলাৰায় বঁটা আগবঢ়োৱা হ'ব। একেদৰে চলিত বছৰৰ ৪ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰ নাথ দাস আৰু বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী তথা গৱেষক ড° মল্লিকা কন্দলীলৈ বিষ্ণু ৰাভা বঁটা আগবঢ়োৱা হ'ব। সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক সোনাৰাম শৰ্মা বুঢ়াভকতলৈ শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা আৰু বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱক যজ্ঞেশ্বৰ চেতিয়ালৈ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা আগবঢ়োৱা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল

বৰাই সন্মানীয় অতিথি আৰু কৃষি আৰু উদ্যান শস্য মন্ত্ৰী অতুল বৰা, পৰিৱেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে ভাগ ল'ব। তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাইড় নিৰ্দিষ্ট বক্তা হিচাপে এই অনুষ্ঠানত উপস্থিত থাকিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

০০০০০০০

ৰাজ্যৰ বান আৰু খহনীয়া সমস্যা ৰোধ কৰাৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰ বোৰ্ড আৰু ভাৰতীয় জৰীপ বিভাগে কালি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। ব্ৰহ্মপুত্ৰ বোৰ্ডৰ মহা প্ৰৱন্ধক অভয় কুমাৰ আৰু  ভাৰতীয় জৰীপ বিভাগৰ পূব সংমণ্ডলৰ অতিৰিক্ত মহা পৰিমাপক ড° মোহন কুমাৰ ষ্টেলিনে ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ অধ্যক্ষ ড° ৰণবীৰ সিঙৰ উপস্থিতিত এই চুক্তিত স্বাক্ষৰ কৰে। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ অৱবাহিকা অঞ্চলৰ জৰীপ কাৰ্য আৰু ভূস্থানিক সামৰ্থ বৃদ্ধিৰ বাবে সহযোগিতা অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে স্বাক্ষৰিত চুক্তিখন ৫ বছৰৰ বাবে প্ৰযোজ্য হ'ব। চুক্তি অনুসৰি ভাৰতীয় জৰীপ বিভাগে ব্ৰহ্মপুত্ৰ ব'ৰ্ডক ত্ৰিকোণোমিতিয় জৰীপ আৰু অত্যাধুনিক প্ৰযুক্তিৰে উচ্চমানৰ চিত্ৰগ্ৰহণকে ধৰি জৰীপ কাৰ্যত সহায় কৰিব।

০০০০০০০

ৰাজ্য চৰকাৰে অসম অসামৰিক সেৱাৰ কেইবাগৰাকীও বিষয়াৰ সাল-সলনি কৰিছে। কৰ্মচাৰী বিভাগে কালি জাৰি কৰা অধিসূচনা অনুসৰি চাহ জনজাতি তথা আদিবাসী কল্যাণ বিভাগৰ যুটীয়া সচিব হেমন্ত ভূঞাক গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ যুটীয়া সচিব হিচাপে বদলি কৰা হৈছে। অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ৰ যুটীয়া সঞ্চালক মনালী জৈনক গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ উপ-সচিব পদলৈ বদলি কৰা হৈছে। একেদৰে সাধাৰণ প্ৰশাসন বিভাগৰ উপ-সচিব তথা জিলা বিৱৰণীকাৰ মুখ্য সম্পাদক অন্তৰীপা দৈমাৰীক গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ উপ-সচিব হিচাপে নিয়োগ কৰা হৈছে। মাজুলীত অতিৰিক্ত জিলা আয়ুক্ত ড° প্ৰীতিলেখা ডেকাক বিলাসীপাৰাৰ সহ জিলা আয়ুক্ত হিচাপে নিয়োগ কৰা হৈছে।

০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি লিড্ছৰ হেডিংলীত আৰম্ভ হ'ব। পূৰ্বে পাটাউদী ট্ৰফী নামে জনাজাত এই টেষ্ট শৃংখলা এইবছৰৰ পৰা এণ্ডাৰচন-তেণ্ডুলকাৰ টেষ্ট শৃংখলা নামেৰে পৰিচিত হ'ব। শুভমন গীলৰ নেতৃত্বৰ নতুন ভাৰতীয় দলটোত এইবাৰ বিৰাট কোহলি, ৰোহিত শৰ্মা, ৰবিচন্দ্ৰন অশ্বিন আদি কেইবাগৰাকীও অভিজ্ঞ খেলুৱৈ নাথাকিব যদিও প্ৰতিভাবান খেলুৱৈৰে গঠিত ভাৰতীয় দলটোৱে ইংলেণ্ডৰ চলিত বতৰত ভাল খেল প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে। ভাৰতীয় টেষ্ট দলত পূৰ্বে বিৰাট কোহলিৰ চতুৰ্থ স্থানত ভাৰতৰ অধিনায়ক শুভমন গীলে বেটিং কৰাটো নিশ্চিত হৈছে। ভাৰতীয় দলৰ বেটিং বহু পৰিমাণে অভিজ্ঞ কে এল ৰাহুল আৰু উপ-অধিনায়ক ঋষভ পণ্টৰ ওপৰত নিৰ্ভৰ কৰিব। ভাৰতীয় অ'পেনাৰ য়শস্বী জয়ছোৱালেও ইংলেণ্ডৰ বাৰিষাকালৰ সেমেকা জলবায়ুত ভাল বেটিং প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে। ভাৰতীয় দলৰ ৩ নম্বৰ স্থানত খেলিবলগীয়া বেটাৰজন কোন হ'ব, সেই সন্দৰ্ভত  সিদ্ধান্ত লোৱা হোৱা নাই। ভাৰতীয় বলিঙৰ দায়িত্ব প্ৰধানকৈ যশপ্ৰীত বুমৰা, হৰ্ষিত ৰাণা, ছাৰ্দুল ঠাকুৰ আৰু অৰ্শদীপ সিঙৰ ওপৰত নিৰ্ভৰ কৰিব। আনহাতে, বেন ষ্টোক্‌ছ নেতৃত্বাধীন ইংলেণ্ড দলটো জেক ক্ৰলি, বিশ্বৰ টেষ্ট ৰেংকিঙৰ ১ নম্বৰ খেলুৱৈ জো ৰুট, বেন ডাকেট, অলি পোপ, ব্ৰাইডন কাৰ্ছ আদি কেইবাগৰাকীও ন-পুৰণি খেলুৱৈৰে পুষ্ট।

০০০০০০০

ৰাজ্যত অভাৱনীয়ভাৱে প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাস পোৱা, বৰক্ষেত্ৰীৰ নাও দুৰ্ঘটনা, ৰাজ্যত বিভিন্ন বিভাগত ৪৮১ গৰাকীক নিযুক্তি প্ৰদান আৰু ইজৰাইল-ইৰানৰ মাজৰ সংঘৰ্ষক লৈ আমেৰিকাক ৰাছিয়াৰ সকিয়নিৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰ্যালয়ৰ পাৰ্ফৰ্মেন্স গ্ৰেণ্ড ইণ্ডেক্সত বিদ্যালয়ৰ শৈক্ষিক মানৰ ক্ষেত্ৰত পুনৰ পিছপৰা ৰাজ্যসমূহৰ ভিতৰত অসমৰ নাম অন্তৰ্ভুক্ত হোৱাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে 'শিক্ষাত তলৰ পৰা দেশৰ দ্বিতীয় স্থানত অসম' শিৰোনামেৰে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে শিৱসাগৰৰ ভটিয়াপাৰৰ ১৪৭ নম্বৰ ৱীগত কালি অষ্টম দিনাও গেছ্ নিৰ্গমন অব্যাহত থকাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। **নিয়মীয়া বাৰ্তা** কাকতে মুকালমুৱাত কালি হোৱা নাও দুৰ্ঘটনাৰ বাতৰিক 'মুকালমুৱাৰ পেৰাধৰাত ভয়ংকৰ নাও দুৰ্ঘটনা, শিক্ষাৰ্থীসহ সন্ধানহীন ৩' শিৰোনামেৰে প্ৰকাশ কৰিছে। গছ পুতিবলৈ খন্দা গাঁতত পৰি গুৱাহাটী মহানগৰীত এটি আঢ়ৈ বছৰীয়া শিশুৰ মৃত্যুৰ বাতৰি **আমাৰ অসম** কাকতে 'গছো মৰিছে, মানুহো মৰিছে' শিৰোনামেৰে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি বিভিন্ন বিভাগত ৪৮১ গৰাকীক নিযুক্তি পত্ৰ প্ৰদান কৰি ১০ অক্টোবৰত আৰু ৪০ হাজাৰ নিযুক্তি প্ৰদান কৰা হ'ব বুলি কৰা ঘোষণাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক জনমভূমি** কাকতে ইৰান আৰু ইজৰাইলৰ যুদ্ধই অধিক ভয়াৱহ ৰূপ ধাৰণ কৰাৰ বাতৰি আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে ১৯৯৮ৰ পৰা ২০২৩ চনলৈ ৰাজ্যৰ ৩৫ খন জিলাৰ ২৭ লাখ ৮ হাজাৰ হেক্টৰ এলেকা বানত প্ৰভাৱিত হোৱাৰ বাতৰি 'ফ্লাড এফেক্টেড ষ্টেট্ছ টুৱেণ্টি ছেভেন লাখ হেক্টৰ এৰিয়া ইন টুৱেণ্টী ফাইভ ইয়াৰ্ছ' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ৰঙামাটি শুল্ক সংগ্ৰহ কেন্দ্ৰৰ বাবে শুল্ক সংগ্ৰহ সংস্থাৰ পৰা নিবিদা আহ্বান কৰাৰ বাতৰিক **দা ছেণ্টিনেল** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

**সমাপ্ত**

০০০০০০০